**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 22-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি তিনিদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড়ত উপস্থিত হৈছে। এই ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে জিলাখনত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰিব। কাইলৈ পুৱা ১০ বজাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ডিব্ৰুগড়ৰ সচিবালয়ত সোণাৰি বিধানসভা সমষ্টি, দিনৰ এক বজাত নাওবৈচা বিধানসভা সমষ্টি আৰু বিয়লি ৬ বজাত তিংখাং বিধানসভা সমষ্টিৰ পৰ্যালোচনা বৈঠকত মন্ত্ৰী-বিধায়ক আৰু বিভাগীয় কৰ্তৃপক্ষৰ সৈতে আলোচনাত মিলিত হ'ব। পৰহিলৈ মুখ্যমন্ত্ৰী শৰ্মাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পি এম-ইউ এছ্ এইচ এ আঁচনি আৰু মুখ্যমন্ত্ৰীৰ বিশেষ অনুমোদনৰ অধীনত দুটাকৈ প্ৰস্তাৱিত আন্তঃগাঁথনি উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনা দিনৰ ভাগত অসম চিকিৎসা মহাবিদ্যালয়ত প্ৰস্তাৱিত অধ্যাপকৰ আৱাস গৃহ আৰু ছাত্ৰাবাসৰ আধাশিলা স্থাপন কৰিব। বিয়লি তিনি বজাত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি নাহৰকটীয়া সম-জিলা আয়ুক্তৰ কাৰ্যালয়, নাহৰকটীয়া হকী ষ্টেডিয়াম, আই টি আইত স্থাপন হ'বলগীয়া উৎকৰ্ষতা কেন্দ্ৰ, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কুঁৱৰী গাঁও উচ্চ মাধ্যমিক বিদ্যালয় আৰু নামৰূপ-নাহৰকটীয়া পথ উৰণ সেঁতুৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহৰ ৫০ শতাংশ পদত অৱসৰপ্ৰাপ্ত অধ্যাপক নিযুক্তিৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ সপক্ষে কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে যুক্তি দাঙি ধৰে। এই বিষয়টোক লৈ বিভিন্ন পক্ষই প্ৰতিবাদ সাব্যস্ত কৰিছে যদিও নতুন আৰু পুৰণিৰ সমাহাৰেৰে আদৰ্শ মহাবিদ্যালয়সমূহক আগবঢ়াই নিয়াৰ বাবে চৰকাৰে অভিনৱ পন্থা লৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ৬৫ বছৰ পৰ্যন্তহে অৱসৰী অধ্যাপকসকলে এই পদত কাৰ্যনিৰ্বাহ কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে কালি জনতা ভৱনত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ দুগৰাকী অধ্যক্ষ আৰু ৫৯ জন সহকাৰী অধ্যাপকক আনুষ্ঠানিকভাৱে নিযুক্তি প্ৰদানৰ পাছত এই কথা প্ৰকাশ কৰে।

নতুনকৈ নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক উদ্দেশি মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকে কাৰিকৰী শিক্ষানুষ্ঠানসমূহৰ মান উন্নত কৰাত আত্মনিয়োগ কৰিব লাগিব। কালি নিযুক্তিৰ পাছত ৰাজ্যত নিযুক্তিৰ সংখ্যা ১ লাখ ২১ হাজাৰ ২৪৩লৈ বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এতিয়ালৈকে কমেও ৩০ জন লোকৰ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে। স্বাস্থ্য বিভাগে পৰিস্থিতিৰ প্ৰতি

লক্ষ্য ৰাখি ব্যাপক সজাগতা কাৰ্যসূচী লৈছে। ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ পৰা পোৱা তথ্য অনুসৰি জিলাখনত ৪ জন ৰোগী এই ৰোগত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। অৱশ্যে কোনো লোকৰ এই ৰোগৰ ফলত প্ৰাণ হানি হোৱা নাই। হাস্পতালখনত উজনি অসমৰ অন্য জিলাৰ ছজন ৰোগী চিকিৎসাধীন হৈ আছে বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰিছে। তিনিচুকীয়া জিলাত এই ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে কালি জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশ আৰু পৰামৰ্শ প্ৰদান কৰে। জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগক বিশেষ ব্যৱস্থা ল'বলৈ তেওঁ আহ্বান জনায়।

0000000

যোৱা নিশা গুৱাহাটী মহানগৰীত হোৱা মুষলধাৰ বৰষুণৰ ফলত মহানগৰীৰ অনিল নগৰ, নবীন নগৰত পুনৰ কৃত্ৰিম বানৰ সৃষ্টি হৈছে। বিশেষকৈ অনিলনগৰৰ মূল পথত একাঠু পৰ্যন্ত পানী হোৱাৰ ফলত যাতায়াতৰ ক্ষেত্ৰত জনসাধাৰণ ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে।

0000000

চিৰাং জিলাৰ বিজনী মহকুমাৰ বিভিন্ন ঠাইত আৰক্ষীয়ে কালি অভিযান চলাই ১১ জন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। এই অভিযানত চিৰাং আৰক্ষীযে কেইবাখনো চাৰিচকীয়া গাড়ীৰ লগতে ভালেমান আপত্তিজনক সামগ্ৰী জব্দ কৰে বুলি আকাশবাণীৰ চিৰাঙৰ সংবাদদাতাই জানিবলৈ দিছে।

0000000

হাটশিঙিমাৰী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত কাইলৈৰ পৰা ২৬ জুলাইলৈ মানকাচৰৰ চাৰিখন গাঁও পঞ্চায়তত আধাৰ কাৰ্ড পঞ্জীয়নৰ শিবিৰ অনুষ্ঠিত হ'ব। সেই উদ্দেশ্য আজি পুৱাৰ ভাগত দক্ষিণ শালমাৰা-মানকাচৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ ছাথি গোটে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত গোটৰ সদস্যসকলে জনায় যে, শিবিৰৰ জৰিয়তে ১৮ বছৰ অনুৰ্ধ অভিভাৱকহীন কিশোৰ-কিশোৰীসকলৰ আধাৰ কাৰ্ড পঞ্জীয়ন কৰা হ'ব। ইয়াৰ বাবে ছাথি গোটে ইতিমধ্যে জিলাখনত ২৪ গৰাকী অভিভাৱকহীন কিশোৰ-কিশোৰী চিনাক্ত কৰিছে। ইয়াৰে ২০ গৰাকীৰ নামত পূৰ্বৰে পৰা আধাৰ কাৰ্ড পঞ্জীয়ন হৈ থকাৰ বিপৰীতে চাৰিগৰাকীৰ আধাৰ কাৰ্ড নাই। জিলাখনত অভিভাৱকহীন এনে কোনো কিশোৰ-কিশোৰীৰ আধাৰ কাৰ্ড নাথাকিলে কাইলৈ মানকাচৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়, পৰহিলৈ ধানুৱা গাঁও পঞ্চায়তৰ কাৰ্যালয়, ২৫ জুলাইত পাণকাতা গাঁও পঞ্চায়তৰ কাৰ্যালয় আৰু ২৬ জুলাইত মালিৰ আলগা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আধাৰ কাৰ্ড পঞ্জীয়ন শিবিৰত উপস্থিত থাকি নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব বুলি জিলা আইনসেৱা প্ৰাধীকাৰীৰ এটা সূত্ৰই জনাইছে।

0000000

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত যোৱা ৭ জুলাইত আৰম্ভ হোৱা গ্ৰীষ্মকালীন কৰ্মশালাৰ কালি সামৰণি পৰে। অনুষ্ঠানটোত বনগীত, নাটক, কবিতা আদি পৰিৱেশন কৰা হয়। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক নৃত্য-গীত প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে।

0000000

**সমাপ্ত**